समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

নৱম শ্ৰেণীৰ বাবে

প্ৰথম ভাগ

অসমীয়া সাহিত্য চয়নিকা (নতুন)

(বাধ্যতামূলক)



এটা খড়্গ থকা গঁড় অসমৰ সম্পদ,
এই গঁড় বধ কৰাজন অসমৰ বৈৰী।

পাঠ – ৪

প্ৰচণ্ড ধুমুহাই প্ৰশ্ন কৰিলে মোক

অংশ – ২

ড° প্ৰণীতা শৰ্মা বৰদলৈ

প্ৰশ্নাৱলী

ভাব-বিষয়ক :

১। চমু উত্তৰ দিয়া —

(ক) কবিয়ে কাক সংকীর্ণতা এৰি দি পূর্ণ বিশালতা দিবলৈ আহ্বান জনাইছে ?

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

প্ৰশ্নাৱলী

ভাব-বিষয়ক :

১। চমু উত্তৰ দিয়া —

(ক) কবিয়ে কাক সংকীর্ণতা এৰি দি পূর্ণ বিশালতা দিবলৈ আহ্বান জনাইছে ?

উত্তৰঃ কবিয়ে আকাশক সংকীর্ণতা এৰি দি পূর্ণ বিশালতা দিবলৈ আহ্বান জনাইছে।

(খ) কবিৰ প্ৰাপ্য কি তাক সুধি কোনে প্ৰশ্ন কৰিছিল?



(খ) কবিৰ প্ৰাপ্য কি তাক সুধি কোনে প্ৰশ্ন কৰিছিল?

উত্তৰঃ প্ৰচণ্ড ধুমুহাই কবিৰ প্ৰাপ্য সুধি প্ৰশ্ন কৰিছিল।

(গ) কবিক বিশাল দৃষ্টি কোনে দিলে?



(গ) কবিক বিশাল দৃষ্টি কোনে দিলে?

উত্তৰঃ মহাকাশে কবিক বিশাল দৃষ্টি দিলে।



(ঘ) 'মুমূর্ষ মানৰক জীৱনৰ বিদ্যুৎ কিঞ্চিতো যদি দিব পাৰোঁ' - ইয়াত 'বিদ্যুৎ' শব্দই কি বুজাইছে?



(ঘ) 'মুমূর্ষ মানৱক জীৱনৰ বিদ্যুৎ কিঞ্চিতো যদি দিব পাৰোঁ' - ইয়াত 'বিদ্যুৎ' শব্দই কি বুজাইছে?



উত্তৰঃ ইয়াত 'বিদ্যুৎ' শব্দই প্ৰাণশক্তিৰ কথা বুজাইছে।

(ঙ) প্রচণ্ড ধুমুহাই কবিক কি প্রশ্ন কৰিছিল?



(ঙ) প্রচণ্ড ধুমুহাই কবিক কি প্ৰশ্ন কৰিছিল?

উত্তৰঃ প্রচণ্ড ধুমুহাই কবিক ‘প্রাপ্য কি’ বুলি প্রশ্ন কৰিছিল।



समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

২। বজ্রই কবিক কি কি দিলে?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২। বজ্রই কবিক কি কি দিলে?

উত্তৰঃ বজ্রই কবিক উদাত্ত কণ্ঠ আৰু সাহসৰ যুক্তি দিলে।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩। কবিয়ে 'সচাঁ উদাৰতা' কথাষাৰেৰে কি বুজাব খুজিছে?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩। কবিয়ে 'সচাঁ উদাৰতা' কথাষাৰেৰে কি বুজাব খুজিছে?



উত্তৰঃ 'সচাঁ উদাৰতা' কথাষাৰেৰে সংকীৰ্ণতাৰ পৰিধি ভঙা এক মানৱিক উদাৰতাৰ কথা বুজাব খুজিছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৪। কবিয়ে কিহৰ দ্বাৰা দিগন্ত কঁপাবলৈ মন মেলিছে চমুকৈ বুজাই লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৪। কবিয়ে কিহৰ দ্বাৰা দিগন্ত কঁপাবলৈ মন মেলিছে চমুকৈ বুজাই লিখা।



উত্তৰঃ কবিয়ে বজ্ৰৰ কণ্ঠেৰে আৰু ধুমুহাৰ শক্তিৰে গীত গাই দিগন্ত কঁপাবলৈ মন মেলিছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৫। কবিয়ে কলিজাৰ সঁচা সুৰেৰে সিক্ত কৰি কাৰ সমাজত কি গীত গাবলৈ সাজু হৈছে?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৫। কবিয়ে কলিজাৰ সঁচা সুৰেৰে সিক্ত কৰি কাৰ সমাজত কি গীত গাবলৈ সাজু হৈছে?



উত্তৰঃ কবিয়ে কলিজাৰ সঁচা সুৰেৰে সিক্ত কৰি দানৰৰ সমাজত মানৰৰ গীত গাবলৈ সাজু হৈছে।

৬। আকাশ, ধুমুহা আৰু বজ্রক কবিয়ে কি কাৰণে প্রণিপাত জনাইছে বহলাই লিখা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

৬। আকাশ, ধুমুহা আৰু বজ্ৰক কবিয়ে কি কাৰণে প্ৰণিপাত জনাইছে বহলাই লিখা।

উত্তৰঃ আকাশ, ধুমুহা আৰু বজ্ৰক কবিয়ে প্ৰণিপাত জনোৱাৰ কাৰণ হ'ল আকাশে কবিক প্ৰদান কৰিলে বিশাল দৃষ্টি, যাৰ জৰিয়তে কবিয়ে সংকীৰ্ণতাৰ পৰিধি ভাঙি মানুহৰ মাজত মানৱতা বোধৰ বাণী প্ৰকাশ কৰিছে। ধুমুহা আৰু বজ্ৰই কবিক প্ৰচণ্ড শক্তি আৰু উদাত্ত কণ্ঠ প্ৰদান কৰিছে, যি শক্তি আৰু কণ্ঠেৰে কবিয়ে দানৱৰ সমাজত মানৱৰ গীত গাই দিগন্ত কঁপাবলৈ সক্ষম হৈছে।

মৃতপ্রায় সমাজখনক কবিয়ে পুনৰ সঞ্জীৱিত কৰাত আকাশ, ধুমুহা আৰু বজ্ৰৰ পৰা পোৱা প্ৰেৰণাৰ বাবে প্ৰণিপাত জনাইছে।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৪। ব্যাখ্যা কৰা—

(ক) বজ্ৰৰ গৰ্জনে বক্ষ উজাৰি ক'লে,
তোমাৰ কাম্য কি কোৱা?
মই ক'লোঁ, বজ্ৰ তোমাৰ
শক্তিশালী উদাত্ত কণ্ঠটি দিয়া।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৪। ব্যাখ্যা কৰা—

(ক) বজ্ৰৰ গৰ্জনে বক্ষ উজাৰি ক'লে,
তোমাৰ কাম্য কি কোৱা?
মই ক'লোঁ, বজ্ৰ তোমাৰ
শক্তিশালী উদাত্ত কণ্ঠটি দিয়া।

উত্তৰঃ উক্ত কবিতাৰাজি আমাৰ পাঠ্যপুথিৰ অন্তগৰ্ত ডঃ ভূপেন হাজৰিকা দেৱৰ দ্বাৰা ৰচিত "প্ৰচণ্ড ধুমুহাই প্ৰশ্ন কৰিলে মোক" নামৰ কবিতাটিৰ পৰা তুলি দিয়া হৈছে। উৎকলিত /

কবিতাৰাজিৰ জৰিয়তে কবিয়ে মানৱৰ সমাজত সম্প্ৰীতিৰ বাণী প্ৰচাৰ কৰিবলৈ প্ৰকৃতিৰ উপাদান বোৰৰ পৰা শক্তি আৰু প্ৰেৰণা আহৰণ কৰাৰ কথা কৈছে।

কবিয়ে বজ্ৰৰ দৰে নিৰ্ভীকতা আৰু উদাত্ত কণ্ঠৰে মানৱতাৰ জয়গান গাবলৈ ইচ্ছা প্ৰকাশ কৰিছে। সেয়েহে কবিয়ে বজ্ৰৰ পৰা শক্তিশালী আৰু উদাত্ত কণ্ঠটি বিচাৰিছে।

যাতে তেওঁ সেই শক্তিশালী উদাত্ত কণ্ঠৰে মানৱতাৰ জয় গান গাব পাৰে।

(খ)

সেয়েহে আকাশ তুমি যদি দিব খুজিছাই
সংকীর্ণতা এৰি দিয়া
অৱদান-ৰূপে তোমাৰ পূৰ্ণ বিশালতা
দিয়া যদি আজিয়েই দিয়া।



(খ) সেয়েহে আকাশ তুমি যদি দিব খুজিছাই
সংকীর্ণতা এৰি দিয়া
অৱদান-ৰূপে তোমাৰ পূর্ণ বিশালতা
দিয়া যদি আজিয়েই দিয়া।

উত্তৰঃ উক্ত গীতিকবিতাংশত আমাৰ পাঠ্যপুথিৰ অন্তর্গত, ডং ভূপেন হাজৰিকা ডাঙৰীয়া প্রণীত, "প্রচণ্ড ধুমুহাই প্রশ্ন কৰিলে মোক" নামৰ কবিতাটিৰ পৰা উৎকলিত।

কবিতাৰাজিৰ জৰিয়তে আকাশৰ দৰে উদাৰ আৰু বিশাল মানৱতা বোধৰ কথা কোৱা হৈছে।

কবিয়ে প্ৰকৃতিৰ উপাদানবোৰৰ পৰা শক্তি আৰু প্ৰেৰণা আহৰণ কৰিছে। আকাশৰ বিশালতাই কবিক যেন সোঁৱৰাই দিছে- সংকীৰ্ণতাৰ পৰিধি ভঙা এক মানৱিক উদাৰতাৰ কথা। সেয়েহে কবিয়ে নিজৰ মনটোও আকাশৰ দৰে বিশাল আৰু উদাৰ হোৱাটো কামনা কৰিছে।

(গ)

মহাকাশে দিলে মোক বিশাল দৃষ্টি
আৰু ধুমুহাই প্ৰচণ্ড শক্তি
বজ্ৰই দিলে মোক উদাত্ত কণ্ঠ
আৰু দিলে সাহসৰ যুক্তি।



(গ)

মহাকাশে দিলে মোক বিশাল দৃষ্টি
আৰু ধুমুহাই প্রচণ্ড শক্তি
বজ্রই দিলে মোক উদাত্ত কণ্ঠ
আৰু দিলে সাহসৰ যুক্তি।

উত্তৰঃ উক্ত গীতিকবিতাংশত আমাৰ পাঠ্যপুথিৰ অন্তর্গত, ডঃ ভূপেন হাজৰিকা ডাঙৰীয়া প্রণীত, "প্রচণ্ড ধুমুহাই প্রশ্ন কৰিলে মোক" নামৰ কবিতাটিৰ পৰা উৎকলিত।

কবিতাৰাজিৰ জৰিয়তে কবিয়ে প্রকৃতিৰ বিভিন্ন উপাদানবোৰৰ পৰা শক্তি আহৰণ কৰাৰ কথা কৈছে।

কবিয়ে মহাকাশৰ পৰা বিশাল হৃদয় আৰু উদাৰ দৃষ্টি, ধুমুহাৰ পৰা প্রচণ্ড শক্তি, বজ্রৰ পৰা উদাত্ত কণ্ঠ আৰু সাহসৰ যুক্তি আহৰণ কৰি মানৱতাৰ জয়গান গোৱাৰ প্রয়াস কৰিছে।



(ঘ)

মুমূর্ষু মানৱক জীৱনৰ বিদ্যুৎ
কিঞ্চিতো যদি দিব পাৰোঁ
আকাশ, ধুমুহা আৰু বজ্রক
তাৰ বাবে প্রণিপাত কৰোঁ।



(ঘ) মুমূর্ষু মানৱক জীৱনৰ বিদ্যুৎ
কিঞ্চিতো যদি দিব পাৰোঁ
আকাশ, ধুমুহা আৰু বজ্রক
তাৰ বাবে প্রণিপাত কৰোঁ।

উত্তৰঃ উক্ত গীতিকবিতাংশত আমাৰ পাঠ্যপুথিৰ অন্তর্গত ডঃ ভূপেন হাজৰিকা ডাঙৰীয়া প্রণীত "প্রচণ্ড ধুমুহাই প্রশ্ন কৰিলে মোক" নামৰ কবিতাটিৰ পৰা উৎকলিত।

কবিতাৰাজিত মানৱতাৰ সুৰ পৰিলক্ষিত হৈছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ধুমুহাৰ দৰে প্ৰচণ্ড শক্তি লাভ কৰি সমাজৰ উত্তৰণত সেই শক্তি প্ৰয়োগ কৰিবলৈ কবি আগ্ৰহী। বজ্ৰৰ দৰে নিৰ্ভীকতা আৰু উদাত্ত কণ্ঠৰে মানৱতাৰ জয়গান গাবলৈ কবিয়ে ইচ্ছা প্ৰকাশ কৰিছে। আকাশৰ বিশালতাই যেন কবিক সোঁৱৰাই দিছে- সংকীৰ্ণতাৰ পৰিধি ভঙা এক মানৱিক উদাৰতাৰ কথা। মুমূৰ্ষু মানৱক মানৱতা বোধৰে পুনৰ সঞ্জীৱিত কৰাটোৱেই কবিৰ অভিপ্ৰায়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ভাষা-বিষয়ক :

৫। তলত দিয়া শব্দবোৰৰ সমার্থক শব্দ লিখা।

ধুমুহা

বুকু

কাম্য

সংকীর্ণতা

বিশাল

দানৱ

প্রণিপাত

সিক্ত

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ

ধুমুহা - বৰদৈচিলা

বুকু - হৃদয়

কাম্য - বিচৰা

সংকীর্ণতা - ঠেক

বিশাল -বহল

দানৱ - দৈত্য

প্রণিপাত - প্রণাম

সিক্ত - তিতা,

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৫। তলত দিয়া শব্দকেইটাত কি কাৰণে 'ণ' হৈছে লিখাঃ

কণ্ঠঃ ট বৰ্গৰ কোনো বৰ্ণৰ লগত যুক্ত হ'লে 'ন' 'ণ' হয়।

পূর্ণঃ একেটা পদতে থকা ঋ, ৰ আৰু ষ-ৰ পিছত থকা 'ন' 'ণ' হয়।

প্রচণ্ডঃ চ বৰ্গৰ কোনো বৰ্ণৰ লগত যুক্ত হ'লে 'ন' 'ণ' হয়।

সংকীর্ণতাঃ 'ৰ' ৰ পিছত থকা বাবে 'ন' 'ণ' হয় ।

প্রণিপাতঃ 'ৰ' ৰ পিছত থকা বাবে 'ন' 'ণ' হয় ।

মুমূর্ষুঃ অ, আ ভিন্ন অন্য স্বৰবর্ণ বা ক বা ৰ-ৰ পাছত থকা প্ৰত্যয় 'স' 'ষ' হয়।

দৃষ্টিঃ ট বৰ্গৰ বৰ্ণৰ সৈতে যুক্ত হ'লে 'স' 'ষ' হয়।



समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

৭। সন্ধি ভাঙাঃ

দিগন্ত, সর্বাকাশ, সংকীর্ণ



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ



দিগন্ত - দিক্ + অন্ত

সর্বাকাশ - সর্ব + আকাশ

সংকীর্ণ - সম্ + কীর্ণ